# দৈনিক জনমভূমি

গুৱাহাটী বৃহস্পতিবাৰ ১৩ মাৰ্চ, ২০০৮


## সহনশীলতাৰ অভাৱ

কমিউনিষ্ট পাৰ্টী অব্ ইণ্ডিয়া মাৰ্ক্সিষ্ট, চমুকৈ চি পি এমৰ নতুন দিল্লীৰ মুখ্য কাৰ্যালয়ত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘই আক্ৰমণ চলোৱাৰ ঘটনা সমাজখনৰ বাবে স্বাভাৱিকতে উদ্বিগ্নতাৰ পৰিচায়ক। ইয়াৰ ফলত ঘাইকৈ সদন স্থগিত হ'ব লগীয়া পৰ্যায় পোৱাটো আৰু চিন্তাৰ বিষয়। নিঃসন্দেহে এনে ঘটনা নিন্দনীয়। কেৰালাত ঘটা ঘটনাত চি পি এম আৰু আৰ এছ এছৰ সদস্যসকল জড়িত আছিল আৰু ইয়াৰ ফলত ভালেমান লোকৰ প্ৰাণহানিও হৈছে। ৰাজনৈতিক দল বা সাংস্কৃতিক সংগঠনে আইন নিজৰ হাতত লোৱাৰ পৰ্যায়টোৱে বিপজ্জনক। ই গণতন্ত্ৰক বুঢ়া আঙুলি দেখুৱাই বলেৰে নিজ ধাৰণাক কাৰ্যকৰী কৰিব বিচাৰে। দেশজুৰি এনে বিপজ্জনক ঘটনাৰ উপস্থিতি দেখা গৈছে।

অলপতে মহাৰাষ্ট্ৰত উত্তৰ ভাৰতীয়সকলৰ ওপৰত চলোৱা আক্ৰমণ একে ধৰণৰ। নন্দীগ্ৰামতো একে ঘটনা ঘটিছিল। ত্ৰিপুৰাৰ নিৰ্বাচনৰ পাছতো কংগ্ৰেছ আৰু চি পি এমৰ সদস্যসকলৰ মাজত মাৰপিট চলি আছে। কিছুদিন আগতে ৰাজ্যখনত পঞ্চায়ত নিৰ্বাচনৰ সময়ত মূল ৰাজনৈতিক দলকেইটাৰ কিছু কিছু সদস্যই ৰাজপথত নমা ঘটনাৰ কথা পাহৰিব নোৱাৰি। গণতান্ত্ৰিক ব্যৱস্থাত প্ৰতিটো ৰাজনৈতিক দলৰে দায়িত্ব থাকে। এই দায়িত্ব সহনশীলতা আৰু আলোচনাৰ মাজেৰে সমাধান কৰাত অসুবিধা নাই। শাসক দলৰ বাবে দায়িত্ব যথেষ্ট। এনে দায়িত্ব সময়মতে উপযুক্ত পৰিৱেশ ৰচনাৰে সমাধানৰ বাট মোকলোৱা উচিত। তদুপৰি বিৰোধী দলৰ দায়িত্বও কম নহয়। বিৰোধী দলে ৰাইজক উচটাই ৰান্ধনিজোল খোৱাৰ নীতি পৰিহাৰ নকৰিলে বিপদ। সংঘাত এফালৰ পৰা নাহে— এই কথা প্ৰতিটো ৰাজনৈতিক দল বা সংগঠনেই জানে। সমাজৰ সমস্যা সমাধানৰ বেলিকা প্ৰতিটো ৰাজনৈতিক দলৰে ভূমিকা থাকে। ইয়াৰ মূলমন্ত্ৰ হ'ল সহনশীলতা। ইয়াৰ অভাৱতেই ৰাজনৈতিক দলৰ কৰ্মী আৰু সমৰ্থকসকলে উখনা-উখনি, মাৰপিট, ৰক্তাৰক্তি আদিৰ দৰে অগণতান্ত্ৰিক আৰু অমানৱীয় কাৰ্যত লিপ্ত হয়।

ৰাষ্ট্ৰই ৰাজনৈতিক দলসমূহক গণতন্ত্ৰক শক্তিশালী কৰাৰ বাবে মঞ্চৰ দিহা কৰিছে। ইয়াৰ অপব্যৱহাৰ অতি বিপজ্জনক। ৰাজনৈতিক দলসমূহৰ মাজত আক্ৰমণৰ ঘটনা চলি থাকিলে সমাজ ব্যৱস্থাক ফেচিষ্ট শক্তিয়ে নিয়ন্ত্ৰণ কৰাৰ বাট মুকলি হয়। এই কথা পাহৰিলে নচলে। ৰাজনৈতিক দলসমূহে সংসদৰ দৰে স্থানকো তুচ্ছ ৰাজনৈতিক মুনাফা লাভৰ বাবে ব্যৱহাৰ কৰিবলৈ বিচাৰিলে ভাবুকি এটা দলৰ বাবে নহয়, সমগ্ৰ গণতান্ত্ৰিক ব্যৱস্থাৰ প্ৰতিয়ে আহিব।

# জলবায়ু পৰিৱৰ্তনৰ ভৌতিক কাৰণ



এম ভি ৰামানা

'সৰহকৈ খালে অমৃতো বিহ হৈ পৰে' বুলি তামিল ভাষাত এটা যোজনা আছে। বতৰ পৰিৱৰ্তনৰ প্ৰসংগত সাধাৰণতে গ্ৰীনহাউছ গেছ বুলি জনাজাত কাৰ্বন-ডাই-অক্সাইড, পৃথিৱীৰ বায়ুমণ্ডল আৰু এই গ্ৰহটোৰ উত্তাপৰ মাজৰ সম্পৰ্কটো এই যোজনাটোৱে প্ৰকাশ কৰে, কিছু পৰিমাণে।

কথাটো বুজিবলৈ হ'লে আমি পোনতে পৃথিৱীখনৰ শক্তিৰ ভাৰসাম্যতাৰ দিশটোলৈ চাব লাগিব। আমাৰ গ্ৰহটোৰ বহিঃশক্তিৰ প্ৰধান উৎস হৈছে সূৰ্য। সূৰ্যই পৃথিৱীলৈ প্ৰায় ১২০,০০০ টেৰাৱাট শক্তি প্ৰেৰণ কৰে। কোনো এটা বস্তুলৈ প্ৰেৰণ কৰা শক্তি যদি বস্তুটোৱে শোষণ কৰি থয়, তেন্তে ইয়াৰ উত্তাপ বাঢ়ি গৈ থাকিব। কিন্তু গড় হিচাপে পৃথিৱীৰ উত্তাপ স্থিৰ হৈ থাকে। ইয়াৰ অৰ্থ হ'ল প্ৰতি ছেকেণ্ডতে সমপৰিমাণৰ শক্তি পৃথিৱীয়ে বিকিৰণ কৰে। সকলো বস্তুৱেই নিজৰ উত্তাপ অনুযায়ী পোহৰ আৰু তাপ বিকিৰণ কৰা হেতুকেই এনে ঘটে। পদাৰ্থবিজ্ঞানৰ পৰিভাষাত ইয়াক কোৱা হয় ব্লেক বডি ৰেডিয়েশ্যন। লোহাৰ ৰড্ এডাল তপতালে হোৱা বিকিৰণ ইয়াৰ উদাহৰণ। উত্তাপ বৃদ্ধিৰ লগে লগে ৰড্‌ডাল প্ৰথমে ৰঙা হৈ পৰে। তাৰ পাছত ইয়াৰ ৰং হৈ পৰে বগা। একেদৰেই পৃথিৱীখনেও ইয়াৰ গড় উত্তাপ অনুযায়ী তাপ বিকিৰণ কৰে। সৌৰ বিকিৰণ আৰু পৃথিৱীৰ মাজত এই ক্ষেত্ৰত ভাৰসাম্য থকা বুলি যদি ধৰি লোৱা হয়, তেন্তে গড় হিচাপে উত্তাপ হ'বগৈ প্ৰায় ২৩° চেঃ। স্পষ্টভাৱেই এই উত্তাপ হৈছে আমি বৰ্তমান অনুভৱ কৰা উত্তাপতকৈ বহু কম।

এই অসংগতিৰ কাৰণ হ'ল, পৃথিৱীৰ বায়ুমণ্ডলেদি পোহৰ সোমাই আহিব পাৰে যদিও বাধাহীনভাৱে কিন্তু তাপ ওলাই যাব নোৱাৰে। আমাৰ বায়ুমণ্ডলত কম পৰিমাণে থকা বহুবোৰ গেছে তাপ শোষণ কৰি ইয়াৰ উত্তাপ বৃদ্ধি কৰে। এই বিলাকেই হৈছে তথাকথিত গ্ৰীনহাউছ গেছ। এই গেছবোৰক কাচৰ সৈতে তুলনা কৰিব পাৰি। কাচৰ মাজেৰে সূৰ্যৰ পোহৰ সোমাই আহিব পাৰে। কিন্তু তাপ (অৱলোহিত বিকিৰণ) সোমাব নোৱাৰে। সেই বাবেই উষ্ণতাৰ কাৰণতহে বৃদ্ধি হোৱা শাক-পাচলিৰ খেতি শীতপ্ৰধান ঠাইত গ্ৰীনহাউছৰ ভিতৰত কৰা হয়। সেয়ে গ্ৰীনহাউছ গেছবিলাকে পৃথিৱীত জীৱন, অৰ্থাৎ আমি জীৱন বুলিলে যি বুজো, তাক সম্ভৱ কৰি তুলিছে। নহ'লে পৃথিৱীখন বৰ শীতল হ'লহেঁতেন।

তাপ আবদ্ধ কৰি ৰখাত বিশেষ ভূমিকা লোৱা গেছবিলাকৰ ভিতৰত প্ৰধান হৈছে কাৰ্বন-ডাই-অক্সাইড আৰু জলীয় বাষ্প, মিথেন, নাইট্ৰ'আছ অক্সাইড, ৰেফ্ৰিজাৰেটৰত ব্যৱহাৰত হোৱা ক্ল'ৰ'ফ্ল'ৰ' কাৰ্বন হৈছে একেধৰণৰ গেছ। বিভিন্ন গেছে গ্ৰীনহাউছ উত্তাপ সৃষ্টি কৰাত বিভিন্ন ধৰণে সহায় কৰে। বৰ্তমান উত্তাপ বৃদ্ধিত কেৱল কাৰ্বন-ডাই-অক্সাইডৰে অৰিহণা হ'ল ৬০ শতাংশ, আৰু সেইফালৰ পৰা চালে ই হৈছে আটাইতকৈ গুৰুত্বপূৰ্ণ গ্ৰীনহাউছ গেছ।

জলীয় বাষ্পৰ বাহিৰে এই সকলোবোৰ গেছেই হৈছে, একমাত্ৰ নুবুলিলেও, প্ৰধানকৈ মানুহৰ কাম-কাজৰে ফল। ঔদ্যোগিক বিপ্লৱৰ সময়ৰ পৰা ইবিলাকৰ উৎপাদন বাঢ়িবলৈ ধৰিছে। এই গেছবিলাক এনেদৰে সৃষ্টি হোৱাৰ উপৰি, বিশেষকৈ সাগৰ, অৰণ্য আৰু অন্যান্য বন-বিৰিখৰ পৰাও সৃষ্টি হয়। কিন্তু বন ধ্বংসৰ ফলত এই উৎসবোৰ বৰ্তমান হ্ৰাস পাবলৈ ধৰিছে। (কাটি পেলোৱা গছবিলাক জ্বলালে সিবিলাকত সঞ্চিত হৈ থকা কাৰ্বনো বায়ুমণ্ডলত মিলি যায়।)

মুঠতে পৃথিৱীত হোৱা গ্ৰীনহাউছ গেছৰ উৎপাদন আৰু সিবিলাকৰ শোষণৰ হাৰৰ মাজৰ পাৰ্থক্যটোৰ ওপৰতে বায়ুমণ্ডলত ঘনীভৱন হোৱা এনে গেছৰ পৰিমাণৰ পৰিৱৰ্তন নিৰ্ভৰশীল। যোৱা কেইটামান শতিকা ধৰি এই পাৰ্থক্যটো যোগাত্মক হৈ আছে আৰু বায়ুমণ্ডলতো গ্ৰীনহাউছ গেছৰ ঘনীভৱন হৈ আহিছে।

ঔদ্যোগিক বিপ্লৱৰ পূৰ্বে, প্ৰায় ১৭৫০ চনমানলৈকে, প্ৰধান গ্ৰীনহাইছ গেছ বুলি পৰিগণিত কাৰ্বন-ডাই-অক্সাইডৰ পৰিমাণ আছিল বায়ুমণ্ডলত প্ৰায় ২৮০ পি পি এম (পাৰ্টছ পাৰ মিলিয়ন, অৰ্থাৎ যদি যিকোনো পৰিমাণৰ বায়ুতে সকলো প্ৰকাৰৰ ১০ লাখ অণু থাকে, তেন্তে তাৰ ২৮০টা হ'ব কাৰ্বন-ডাই-অক্সাইড অণু)। বৰ্তমান এই পৰিমাণ হ'ল ৩৭৯ পি পি এম আৰু খৰতকীয়াকৈ ইয়াৰ বৃদ্ধি ঘটি আছে। একেদৰে আন গ্ৰীনহাউছ গেছো বেছিকৈ জমা হ'বলৈ ধৰিছে। যোৱা কেইলাখমান বছৰত স্বাভাৱিকভাৱে হোৱা হ্ৰাস-বৃদ্ধিতকৈ এই পৰিমাণ যথেষ্ট বেছি। বিভিন্ন ধৰণৰ পৰীক্ষা-নিৰীক্ষাই এই কথাকে প্ৰতীয়মান কৰে।

আগতে উল্লেখ কৰা হৈছেই যে গ্ৰীনহাউছ গেছ গোট খোৱাৰ মূল কাৰণ হৈছে মানুহৰ কাম-কাজ। শক্তি উৎপাদনৰ বাবে কয়লা,




পেট্ৰ'লিয়াম আদিৰ দৰে তথাকথিত ফছিল ইন্ধনবোৰ ব্যৱহৃত হোৱাৰ বাবেই প্ৰধানকৈ কাৰ্বন-ডাই-অক্সাইডৰ পৰিমাণ এনেদৰে বৃদ্ধি পাইছে। এই ক্ষেত্ৰত বন ধ্বংস আৰু মাটিৰ বৰ্তমান যেনেদৰে ব্যৱহাৰ হ'বলৈ ধৰিছে, সিয়ো কমকৈ হ'লেও অৰিহণা যোগাইছে। আনহাতে মিথেন আৰু নাইট্ৰ'আছ অক্সাইডৰ দৰে আন গুৰুত্বপূৰ্ণ গ্ৰীনহাউছ গেছ বৃদ্ধি হৈছে কৃষিৰ ফলত। ফছিল ইন্ধন ব্যৱহাৰ কৰিলেও অৱশ্যে মিথেন সৃষ্টি হয়।

অতীতৰ ধাৰাটোলৈ চকু দিলে বুজিব পাৰি যে গ্ৰীনহাউছ গেছৰ সৃষ্টি আৰু অধিক পৰিমাণে বাঢ়িবহে। ইণ্টাৰনেশ্যনেল এনাৰ্জি এজেঞ্চিৰ হিচাপ অনুসৰি, শক্তি উৎপাদনৰ ফলত সৃষ্টি হোৱা কাৰ্বন-ডাই-অক্সাইডৰ পৰিমাণ বৰ্তমানৰ ২৫ ট্ৰিলিয়ন টনৰ (গিগা টন) পৰা ২০৩০ চনত প্ৰায় ৩৭ ট্ৰিলিয়ন টনলৈ বৃদ্ধি পাব।

গ্ৰীনহাউছ গেছবিলাকে যিহেতু তাপ ধৰি ৰাখে, সেয়ে এই গেছবিলাকৰ পৰিমাণ বৃদ্ধি পোৱাৰ লগে লগে একে সময়তে পৃথিৱীৰ গড় উত্তাপ বৃদ্ধি পোৱাটোও একো আচৰিত নহয়। এই কাৰণতে গ্ৰীনহাউছ গেছবিলাক অমৃতৰ সৈতে তুলনা কৰিব পাৰি। পৰিমাণ অধিক হ'লে সিবিলাকৰ পৰা বিপদ ঘটিব পাৰে। কুৰি শতিকাটোৰ শেষছোৱাত পৃথিৱীজুৰি অস্বাভাৱিকভাৱে উত্তাপ বৃদ্ধি পাইছিল। উত্তৰ গোলাৰ্দ্ধত যোৱা ১৩০০ বছৰত কুৰি শতিকাটোৰ দ্বিতীয়াৰ্ধটোৱেই সম্ভৱ আটাইতকৈ উত্তাপপূৰ্ণ কাল আছিল। ১৮০০ চনৰ পৰা ২০০০ চনৰ ভিতৰত বিশ্বৰ গড় উত্তাপ এক ডিগ্ৰীৰ প্ৰায় চাৰিভাগৰ তিনিভাগ বৃদ্ধি পালে।

উত্তাপ বৃদ্ধিয়ে জলবায়ু পৰিৱৰ্তনৰ সকলো দিশ সামৰি নলয়। প্ৰাকৃতিক চলকবিলাকৰ ক্ষেত্ৰত পৰিলক্ষিত হোৱা অন্যান্য কিছুমান পৰিৱৰ্তন অৱশ্যে উত্তাপ বৃদ্ধিৰ সৈতে সংগতিপূৰ্ণ। কিছুমান উদাহৰণ দিলে কথাটো স্পষ্ট হ'ব। বায়ুমণ্ডলত থকা জলীয় বাষ্পৰ পৰিমাণ গড় হিচাপত ১৯৮০-ৰ দশকৰ পৰা বৃদ্ধি পাইছে। ১৯৬১ আৰু ২০০৩ চনৰ ভিতৰত গড় হিচাপে প্ৰতি বছৰে ১.৮ মিঃমিঃকৈ সাগৰপৃষ্ঠ ওপৰলৈ উঠিছে। এই বৃদ্ধি অব্যাহত আছে, কাৰণ ১৯৯৩—২০০৩-ৰ কালছোৱাত ইয়াৰ হাৰ আছিল বাৰ্ষিক ৩.১ মিঃমিঃ। পৰীক্ষা-নিৰীক্ষাৰ পৰা দেখা গৈছে যে ১৯৬১ চনৰ পৰা বিশ্বজুৰি মহাসাগৰৰ গড় উত্তাপ ৩০০০ মিঃ গভীৰলৈকে বৃদ্ধি পাইছে আৰু আৱহমণ্ডলত নতুনকৈ যোগ হোৱা তাপৰ ৮০ শতাংশতকৈয়ো অধিক মহাসাগৰবিলাকেই শোষণ কৰিছে। এনেধৰণৰ হোৱা উত্তাপ বৃদ্ধিয়ে সাগৰৰ পানীৰ প্ৰসাৰ ঘটাইছে আৰু ফলত সাগৰপৃষ্ঠ ওপৰলৈ উঠিছে। গড় হিচাপে পৰ্বতৰ গ্লেছিয়াৰ আৰু বৰফৰ ঢাকনিও পাতল হৈ পৰিছে আৰু ইয়াৰ ফলতো সাগৰপৃষ্ঠ ওপৰলৈ উঠিছে।

গ্ৰীনহাউছ গেছবিলাকৰ ঘনীভৱনকে ধৰি বিভিন্ন কাৰকবিলাকে আৱহমণ্ডলত কেনেদৰে ক্ৰিয়া কৰে, তাক বিতংভাৱে অধ্যয়ন কৰিবৰ বাবে বিজ্ঞানীসকলে বিভিন্ন আৰ্হি প্ৰস্তুত কৰি উলিয়াইছে। এই আৰ্হিবিলাকৰ পৰা দেখা গৈছে যে বিশ্বজুৰি পৰিলক্ষিত হোৱা উত্তাপৰ পৰিৱৰ্তনটো বুজিবলৈ হ'লে জ্বালামুখীৰ পৰা হোৱা নিৰ্গমণ, সৌৰশিখাৰ পৰিৱৰ্তন আদি প্ৰাকৃতিক কাৰকবিলাকৰ লগতে, বিশেষকৈ গ্ৰীনহাউছ গেছ নিৰ্গমণৰ ক্ষেত্ৰত মানুহৰ কাম-কাজে পেলোৱা প্ৰভাৱৰ কথাও বিবেচনা কৰিব লাগিব।

আৱহমণ্ডলত গ্ৰীনহাউছ গেছবিলাকৰ ঘনীভৱন বৃদ্ধি হোৱাৰ লগে লগে গড় উত্তাপো বৃদ্ধি পাব। মানুহৰ কাম-কাজৰ ফলত আৱহমণ্ডলত ঘটা পৰিৱৰ্তনসমূহ অধ্যয়নৰ উদ্দেশ্যে গঠিত ইণ্টাৰগৱৰ্ণমেণ্টেল পেনেল অন ক্লাইমেট চেইঞ্জ নামৰ বৈজ্ঞানিক সংস্থাটোৰ হিচাপ মতে, এই শতিকাৰ শেষৰফালে উত্তাপৰ বৃদ্ধি ১.৮° চেঃ—৬.৪° চেঃৰ ভিতৰত থাকিব। পৃথিৱীৰ আৱহমণ্ডলত ইয়াৰ ফলত বিভিন্ন ধৰণৰ পৰিৱৰ্তন ঘটিব, কিছুমান পৰিৱৰ্তন হ'ব বিপজ্জনক।

কোৱা বাহুল্য মাথোন, আৱহমণ্ডলীয় পৰিৱৰ্তনেই গৈছে বৰ্তমান পৃথিৱীজুৰি আমি সন্মুখীন হোৱা আটাইতকৈ জটিল পৰিৱেশজনিত সমস্যা। এই পৰিৱৰ্তনবোৰৰ প্ৰভাৱ হ্ৰাস কৰিবলৈ যত্ন কৰাটো অতি দৰকাৰী হৈ পৰিছে।

*(ৰামানা বাংগালোৰৰ চেণ্টাৰ ফৰ ইণ্টাৰডিচিপ্লিনেৰি ষ্টাডিজ ইন এন্‌ভাইৰনমেণ্ট এণ্ড ডেভেলপমেণ্টৰ জ্যেষ্ঠ অধিসদস্য আৰু Prisoners of the Nuclear Dream-অৰ যুটীয়া সম্পাদক। ই-মেইল : ramana@isec.ac.in)*

# সম্পাদকলৈ চিঠি

*(মতামতৰ বাবে সম্পাদক দায়ী নহয়)*

### নাজিৰা-শিমলুগুৰি উন্নয়ন প্ৰাধিকৰণৰ উন্নয়ন কাৰ্য

নাজিৰা নগৰৰ সীমাৰ একাষে অৰ্থাৎ উত্তৰ-পূব ফালে প্ৰাধিকৰণৰ অধীনত এক কোটি সাতসত্তৰ হাজাৰ টকা ৰাজহুৱা ধন ব্যয় কৰি এটা দুই-তিনি মহলীয়া 'মাৰ্কেট কমপ্লেক্স' বহুকেইটা কোঠালিৰে নিৰ্মাণ কৰা হ'ল। সম্প্ৰতি ইয়াৰ দ্বাৰা নাজিৰাৰ সৰ্বসাধাৰণ ৰাইজ বা দৰিদ্ৰ শ্ৰেণীৰ ৰাইজৰ কোনো উপকাৰ নহ'ব বুলিয়েই ক'ব পাৰি। কিন্তু নাজিৰা নগৰৰ সাধাৰণ ৰাইজৰ কিছুমান অতি প্ৰয়োজনীয় কাৰ্যক অগ্ৰাধিকাৰ দি তাৰ সমস্যা সমাধান কৰাহে বেছি জৰুৰী আছিল। নাজিৰা নগৰৰ আলি-পদূলিবিলাকৰ শোচনীয় অৱস্থাৰ কোনো উন্নতি হোৱা নাই। চহৰৰ মাজমজিয়াৰ নলা-নৰ্দমাবিলাক পোত খাই থকাৰ কাৰণে অলপ বৰষুণ দিলেই পানীৰে উপচি পৰি ৰাইজক অনেক আহুকালত পেলায়। বিশেষকৈ চহৰৰ ৩, ৪, ৫ নং ৱাৰ্ডৰ খালকেইটাত তেল-গেজ আয়োগৰ ক'লনিৰ পৰা খালেদি উটি অহা লেতেৰা দুৰ্গন্ধ গেলা-পচা জাবৰ-জোঁথৰ মিলহি ক'লা বৰণৰ পানী উপচি পৰি ৰাইজক বহুদিনৰ পৰা নানা জীয়াতু ভোগাই আহিছে। অলপ ডাঙৰ বৰষুণ হ'লেই সেই অঞ্চলৰ ৰাইজৰ ঘৰ-বাৰী আদি আৱৰ্জনা সহ গেলা পানীৰে বুৰাই ৰাইজক হাৰাশাস্তি কৰে। ইয়াৰ পৰিণামত বিশেষকৈ ল'ৰা-ছোৱালীবিলাকৰ স্বাস্থ্য হানিৰ উপৰি কোনো কোনোৰ পঢ়াশালিলৈ যোৱাও বন্ধ হয়। এইদৰে সাধাৰণ ৰাইজৰ অনেক দুৰ্গতি হোৱাটো নৈমিত্তিক ঘটনা হৈ আছে। সাধাৰণ নাগৰিকৰ বহুদিনীয়া এই কষ্ট ভোগ কৰা কাৰ্যবিলাকৰ ওজৰ-আপত্তিবিলাক কোনো দিনে কোনেও গুৰুত্ব নিদিয়ে। গতিকে আমি নাজিৰা-শিমলুগুৰি উন্নয়ন প্ৰাধিকৰণ আৰু নাজিৰা পৌৰ সভাক জনাব খোজো যে অতি সোনকালে নগৰখনৰ নলা-নৰ্দমাবিলাক দকৈ খান্দি দূষিত পানীবিলাক উলিয়াই নিয়াৰ ব্যৱস্থা কৰক। এইখিনিতে উল্লেখ কৰিব পাৰি যে নাজিৰা-শিমলুগুৰি প্ৰাধিকৰণৰ কাৰ্যালয় নাজিৰাত স্থাপন হোৱা ৬/৭ বছৰ মান হ'ল যদিও চহৰখনৰ বিশেষ কোনো উন্নয়নৰ কাম-কাজ কৰা ৰাইজে দেখা পোৱা নাই।

**চন্দ্ৰকমল বৰুৱা**
বাপুজী পথ, নাজিৰা।

### আইথানত যি দেখিলোঁ

ডিব্ৰুগড় নগৰৰ পৰা দক্ষিণ পশ্চিম কোণত বগীবিল অঞ্চলত অৱস্থিত কালী আইথান অসমৰ পবিত্ৰ স্থানসমূহৰ ভিতৰত এখন লেখত ল'বলগীয়া। ব্ৰহ্মপুত্ৰৰ বালিচাপৰিৰ বিশাল শোভাৰ দাঁতিত অৱস্থিত আইথানলৈ প্ৰতিদিনে অসংখ্য ভক্তৰ সমাগম হয়। তীৰ্থযাত্ৰীসকলৰ মনোকামনা পূৰণৰ বাবে বিশেষকৈ খৰালিৰ দিনকেইটাত বহু ভিৰ দেখা যায়। যাতায়াতৰ ব্যৱস্থা যদিও সুচল নহয় দুৰ্যোগপূৰ্ণ পথৰ ওপৰেৰেই অসংখ্য লোক ইয়ালৈ আহে। পৰিয়ালৰ এটি পবিত্ৰ দিন হিচাপে গ্ৰহণ কৰি যোৱা ১১ ফেব্ৰুৱাৰীৰ দিনা আমিও আইথানলৈ গৈছিলোঁ। অৱশ্যে এয়ে আমাৰ প্ৰথম অভিজ্ঞতা নহয়। তথ্য সংগ্ৰহৰ তাগিদাৰ পৰা আৰম্ভ কৰি সেৱা আগবঢ়োৱা আদি কাৰ্যসূচীৰে বহুবাৰেই এই পবিত্ৰ ক্ষেত্ৰত আমি উপস্থিত হৈছোঁগৈ বিভিন্ন সময়ত। অৱশ্যে বগীবিল দলং নিৰ্মাণ হোৱাৰ পাছৰে পৰা আইথানলৈ যোৱা-অহা কৰাৰ বাবে যোগাযোগ ব্যৱস্থাৰ সামান্য উন্নত হোৱা দেখা গৈছে। যোৱা দহোটামান বছৰৰ ভিতৰত ঠাইডোখৰৰ সামান্য উন্নতি হৈছে। আগেয়ে তামোল এখনো বিচাৰি পবলৈ নোহোৱা আইথানত এতিয়া সকলোৱেই সুলভ হৈছে। হাবিৰে আৱৰি থকা দাঁতিকাষৰীয়া অঞ্চলসমূহ পিক্‌নিক্ ক্ষেত্ৰ হৈছে। এনেবোৰ ভাল লগাৰ মাজতে শেহতীয়া আইথান ভ্ৰমণৰ বেলিকা কিছুমান দুখেহে হেঁচা মাৰি ধৰিলে।

আই গোসাঁনীক সেৱা আগবঢ়োৱাৰ পাছত আমি পৰিয়ালটো নদীৰ চাৰপিত অলপ ফুৰাৰ মানসেৰে ওলালোঁ। নদীচাপৰিখন আহল-বহলকৈ পিক্‌নিক্ ক্ষেত্ৰ হিচাপে ব্যৱহাৰ হোৱাৰ বাবে এখন সাপ্তাহিক বজাৰৰ ক্ষেত্ৰ যেন লাগিল। পিক্‌নিক্ খোৱা দলসমূহে পেলাই থৈ যোৱা পেলনীয়া আৱৰ্জনা, পলিথিনৰ বেগ, প্লাষ্টিকৰ গিলাচ, কাঁহি, প্লেট, মাছ-মাংসৰ হাড়-মূৰ বাকলিৰে ভৰি থকা ঠাইখনৰ মাজত খোজ পেলাই নদীৰ পাৰলৈ যাবলৈকে ঘিণ ঘিণ ভাব লাগিল। জাক জাক কুকুৰৰ বিচৰণ। তাতকৈয়ো ভাল লাগিল অ'ত ত'ত তললৈ মূৰ সুমুৱাই লাজতে পৰি থকা সুৰাৰ খালী বটলবোৰ দেখি আমাৰো লাজ লাগিল। নাকটো কোঁচালো। ছোৱালীজনীয়ে সুধিছিল— বটলবোৰ পানী খাবলৈ আনি ইয়াতে কিয় পেলালে? উত্তৰটো আমাৰ হাতত নাছিল। নদীৰ পাৰ পালোগৈ। একেখনেই দৃশ্য। উলটিলোঁ। অলপ ভাগৰ লাগিল। ভোকো লাগিছিল। আইথানৰ ওচৰে-পাঁজৰে গঢ়ি উঠা হোটেলতে কিবা এটা খাব লাগিব। আগবাঢ়িলো দোকানলৈ। চাব বিচৰাৰ সাহস নহ'ল। ধুনীয়াকৈ সজাই থোৱা দেশী-বিদেশী সুৰাৰ বটলবোৰ দেখি চাহ পোৱা যাবনে বুলি নোসোধাই ভাল বুলি ভাবিলোঁ।

পবিত্ৰ ঠাইখনলৈ ভক্তৰ সমাগম হয়। কিন্তু এনে দৃশ্যবোৰ দেখাৰ পাছত কিহৰ মুক্ত বেহা চলিছে নিজে সুধি সুধি ঘৰমুৱা হ'বলৈ বাধ্য হ'লোঁ।

**দুলাল বৰা**
মানকটা, ডিব্ৰুগড়।

### নাগালেণ্ডৰ নিৰ্বাচন

নাগালেণ্ডৰ নিৰ্বাচনৰ কাৰণে অসম চৰকাৰে বহু বাছ অধিগ্ৰহণ কৰি নাগালেণ্ডলৈ পঠিওৱাত অসমৰ জনসাধাৰণৰ কিমান অসুবিধা হৈছিল সেইটো চৰকাৰে নিশ্চয় অনুভৱ কৰা নাছিল আৰু বুজিবলৈয়ো চেষ্টা কৰা নাছিল। এখন চুবুৰীয়া ৰাজ্যক সহায় কৰিবলৈ গৈ বাছবোৰ জধে-মধে অধিগ্ৰহণ কৰি কেনেধৰণৰ হিতৰ কাম কৰিলে বুজি নাপালোঁ।

তদুপৰি নিখিল ভাৰতীয় কংগ্ৰেছৰ নাগালেণ্ডৰ নিৰ্বাচনত ইস্তাহাৰখন দেখি আচৰিত হ'লোঁ। ইস্তাহাৰত উল্লেখ আছে যে বহু বছৰৰ আগৰে পৰা হোৱা আলোচনা হোৱাৰ পিছত নগাসকলে বাস কৰা সকলো অঞ্চল নাগালেণ্ডৰ অন্তৰ্ভুক্ত কৰা হ'ব। ইয়াৰ অৰ্থ হৈছে যে ভাৰতীয় ৰাষ্ট্ৰীয় কংগ্ৰেছে অসম, অৰুণাচল আৰু মণিপুৰৰ এটি বৃহৎ অংশ নাগালেণ্ডৰ অন্তৰ্ভুক্ত কৰিব। ১৯৫৭-৫৮ চনতেই সেই সময়ৰ মুখ্য মন্ত্ৰী বিমলা প্ৰসাদ চহিলাই পণ্ডিত নেহৰুৰ নিৰ্দেশত গোলাঘাটৰ অন্তৰ্গত ডিমাপুৰখন নাগালেণ্ডক ভালৰি লগাবলৈ উপহাৰ দিলে। বৰ্তমানলৈকে নাগালেণ্ডে অসমৰ বহু অংশ দখল কৰি ল'লে। এতিয়া তেওঁলোকক অসমৰ বহু অঞ্চল লাগে। দুৰ্বল অসমৰ চৰকাৰসমূহৰ উদাসীনতাৰ কাৰণে অসমখন সৰু হৈ আহিছে। স্বাধীনতাৰ আগৰে পৰা ভাৰতীয় ৰাষ্ট্ৰীয় কংগ্ৰেছে অসমক অৱমাননা কৰি অসমক গ্ৰুপিঙৰ প্ৰতি ঠেলি দিছিল। ভাৰত চৰকাৰৰ নীতি আৰু ভাৰতীয় ৰাষ্ট্ৰীয় কংগ্ৰেছৰ ভোট বেংক সুদৃঢ় কৰিবলৈ লোৱা পদ্ধতি আৰু অসমৰ দুৰ্বল নেতৃত্বৰ কাৰণে আমাৰ অৱস্থা শোচনীয় হৈ পৰিছে।

**বেদান্ত বৰুৱা**, গোলাঘাট।

### মুক্ত অৰ্থনীতি

যোৱা ২৯ ফেব্ৰুৱাৰীত ২০০৮-০৯ বৰ্ষৰ সাধাৰণ বাজেট বিত্ত মন্ত্ৰী পি চিদাম্বৰমে সংসদত দাখিল কৰে। এইবাৰৰ বাজেটখন ভাৰতৰ প্ৰাক্তন প্ৰধান মন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ দ্বাৰা প্ৰণয়ন কৰা মিশ্ৰ অৰ্থনীতিৰ ফালে ধাৱিত হোৱা দেখা গ'ল। অৰ্থাৎ বৰ্তমানৰ প্ৰধান মন্ত্ৰী মনমোহন সিঙৰ মুক্ত অৰ্থনীতি ভাৰতৰ ক্ষেত্ৰত প্ৰযোজ্য কৰাত কিছু অসুবিধা আছে।

২০-২-৯৮ চন, দিল্লীত কনফেডাৰেচন অব্ ইণ্ডিয়ান ইণ্ডাষ্ট্ৰী অৰ্থাৎ CII য়ে আয়োজন কৰা এক অনুষ্ঠানত ভাষণ দি প্ৰখ্যাত অৰ্থনীতিবিদ অমৰ্ত্য সেনে কৈছিল যে ভাৰতৰ অৰ্থনৈতিক সংস্কাৰে সাধাৰণ মানুহৰ কোনো ধৰণৰ পৰিৱৰ্তন আনিব পৰা নাই। এই সংস্কাৰে সামাজিক দিশবোৰক সম্পূৰ্ণ উপেক্ষা কৰিছে। সামাজিক আৰু অৰ্থনৈতিক সুযোগ-সুবিধাৰ দ্ৰুততৰ সম্প্ৰসাৰণৰ সুষম পৰিচালনাত চৰকাৰ সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে।

একবিংশ শতিকাত অসমৰ অৰ্থনৈতিক দুৰ্বলতা আৰু বিকাশৰ পথ নামৰ এটা প্ৰবন্ধত অৰ্থনীতিবিদ ড° জয়ন্ত মাধৱে কৈছে, '১৯৯১ চনত দেশৰ অৰ্থনীতিত যি উদাৰীকৰণৰ প্ৰস্তাৱ লোৱা হৈছিল তাৰপৰা অসম বৰ্তমানলৈ প্ৰকৃতাৰ্থত কোনো ধৰণৰ উপকৃত হোৱা নাই, আমি জানো, উদাৰীকৰণ হ'ল ব্যক্তিগত খণ্ডৰ প্ৰসাৰতাৰ এক অনুঘটক স্বৰূপ, কিন্তু সমগ্ৰ অঞ্চলটোতে অস্থিৰতা বিৰাজ কৰি থকা হেতুকে ব্যক্তিগত খণ্ডৰ পৰা বিশেষ সঁহাৰি পোৱা পৰিলক্ষিত হোৱা নাই। উদাহৰণ স্বৰূপে ১৯৯৬-৯৭ চনত বিভিন্ন বিত্তীয় প্ৰতিষ্ঠানসমূহে দেশৰ অৰ্থনীতিত বিনিয়োগ কৰা ৩৮,৪০৯ কোটি টকাৰ অসমে লাভ কৰিছিল মাত্ৰ ২৪৭ কোটি টকাহে, যি মূল অংকটোৰ মাত্ৰ ০.৬ শতাংশহে আছিল।' এই অৱস্থাৰ বৰ্তমানেও বিশেষ উন্নতি পৰিলক্ষিত হোৱা নাই। যি কি নহওক পলমকৈ হ'লেও কেন্দ্ৰীয় চৰকাৰে সাৰ্থকভাৱে যে মুক্ত অৰ্থনীতিত ভাৰতৰ নিচিনা দেশত প্ৰয়োগ কৰাত অসুবিধা আছে তাক ধৰিব পাৰিছে। অসমত অৰ্থনৈতিক চিন্তা-চৰ্চাক গণমুখী কৰাৰ বাবে অৰ্থনীতিৰ ছাত্ৰসকলৰ লগতে সামাজিকভাৱে সক্ৰিয় লোকসকল সচেতন হোৱাৰ প্ৰয়োজন আছে।

**গৌতম হাজৰিকা**
চেলেংহাট, যোৰহাট।

### এতিয়া পৰীক্ষাৰ বতৰ

একোটা পৰীক্ষাৰ ভাল ফলাফলৰ দ্বাৰাই ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ জীৱন গঢ়াৰ পথ মুকলি হয়। কিছুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অশেষ কষ্ট কৰি জীৱনত সফল হ'বলৈ নাইবা নিজকে সু-প্ৰতিষ্ঠাৰ বাবে স্ব-উপাৰ্জিত জ্ঞানেৰে নিজৰ গুণ দৰ্শোৱাৰ প্ৰয়াস কৰে। কিন্তু এনে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা তুলনামূলকভাৱে যথেষ্ট কম। সিংহভাগ ছাত্ৰ-ছাত্ৰীয়েই বৰ্তমান সময়ত অসৎ পন্থা অৱলম্বন কৰি কেৱল প্ৰমাণ-পত্ৰ বা ডিগ্ৰী লোৱাৰ চেষ্টা কৰে। পৰীক্ষাগৃহত নকল কৰা, আন সহপাঠীৰ পৰা চাই লিখা আদি সুবিধা তেওঁলোকে গ্ৰহণ কৰে। নিৰীক্ষক বা পৰ্যবেক্ষকক অপমান কৰা বা প্ৰাণে মৰাৰ ভাবুকিও পৰিলক্ষিত হৈছে। এইচাম ছাত্ৰ-ছাত্ৰীয়ে সমগ্ৰ পৰীক্ষাৰ পৰিৱেশটোকে প্ৰদূষিত কৰি তোলে। এই ক্ষেত্ৰখনত আমাৰ মাজৰ এচাম শিক্ষক বন্ধুও বাৰুকৈয়ে জগৰীয়া। পৰীক্ষাগৃহত স্বজন-প্ৰীতি প্ৰদৰ্শন বা বিশেষ ছাত্ৰ-ছাত্ৰীক শিকাই দিয়া এচাম শিক্ষক আমাৰ মাজতে আছে। তদুপৰি পৰীক্ষাগৃহত আৰোপিত দায়িত্ব পালন নকৰি বাহিৰত সহকৰ্মীৰ সৈতে আড্ডা মৰা শিক্ষকো আছে।

এতিয়া আহোঁ পৰীক্ষা কেন্দ্ৰ পৰিচালনাৰ দায়িত্বত থকা বিষয়ববীয়াসকলৰ কথালৈ। কোনো কোনো কেন্দ্ৰৰ পৰীক্ষা পৰিচালনাৰ দায়িত্বত থকা বিষয়ববীয়া (সকলো নহয়)সকলেও বহু সময়ত আওকণীয়া মনোভাৱ প্ৰদৰ্শন কৰি নিজ নিজ কেন্দ্ৰৰ উত্তীৰ্ণৰ হাৰ বৃদ্ধি কৰি লোকদৃষ্টিত প্ৰশংসা বোটলাৰ চেষ্টা কৰে। এনেকৈয়ে যদি আমাৰ পৰীক্ষা ব্যৱস্থাটো চলি থাকে, তেন্তে গুণগতমানৰ শিক্ষিত লোকৰ সংখ্যা হ্ৰাস পোৱাটো নিশ্চিত, যিটো নেকি সমাজ আৰু জাতিৰ বাবে ক্ষতিকাৰক।

এই সকলোখিনি কথা হাইস্কুল শিক্ষান্ত পৰীক্ষাত নিয়োজিত এজন পৰ্যবেক্ষক বিষয়া হিচাপে লাভ কৰা বাস্তৱ অভিজ্ঞতাৰ পৰা লিখা হ'ল। এই ক্ষেত্ৰত সচেতন ৰাইজৰ পৰা সু-পৰামৰ্শৰ লগতে গঠনমূলক সমালোচনা বিচৰা হ'ল।

**জয়ন্ত ডেকা**
প্ৰৱক্তা, সৰুপথাৰ
মহাবিদ্যালয়।

### হাড় জোৰাৰ ক্ষেত্ৰত গাঁৱলীয়া চিকিৎসা

ডাঃ এন এম ৰফিকৰ উক্ত বিষয়ৰ চিঠি আমাৰ দৃষ্টিত পৰিছে। তেখেতে ভবাৰ দৰে বা বৈজ্ঞানিক, সামাজিক বা ডাক্তৰী বিচাৰেৰে একো বিচাৰ কৰিবৰ আৱশ্যক নোহোৱা এটা বিদ্যা অসমীয়াৰ বেজালি পুথিত আছে। অতি সহজ সৰল উপায়টো হৈছে, বেজ আহি ভগা হাতত বনৌষধি বান্ধি তামোল এখন মুখত ভৰাই পাগুলি থাকে। কিছু সময়ৰ পাছত তামোলৰ পিকো পেলায় আৰু দৰবৰ বান্ধো খোলে। বচ, ভগা হাড় জোৰা লাগি গ'ল। ইমান সহজ সৰল ঔষধ অসমীয়া বেজৰ আছে।

**যোগেশ্বৰ বৰদলৈ**
বলমা, টীয়ক।

### ওমলা কেন্দ্ৰ

দুবছৰৰ পৰা পাঁচ বছৰলৈকে শিশুসকলক খেলা-ধূলা, পাঠদান আৰু শাৰীৰিক বিকাশৰ সেৱা আগবঢ়াই অহা সৰ্বভাৰতীয় শিশু বিকাশ কেন্দ্ৰৰ অনুমোদিত 'ওমলা কেন্দ্ৰ'টি ২ নং ভূএঞাহাট অনুসূচিত জাতিৰ গাঁওখনত কেতিয়াৰ পৰা আৰম্ভ হ'ব— উক্ত সদুত্তৰটি শীঘ্ৰে দিবলৈ 'ওমলা কেন্দ্ৰ'ৰ সংশ্লিষ্ট উৰ্ধ্বতন মহল তথা শিৱসাগৰ জিলাৰ আমগুৰি সমষ্টিৰ অন্তৰ্গত ভূএঞাহাট গাঁও পঞ্চায়তৰ সংশ্লিষ্ট নৱ নিৰ্বাচিত প্ঞায়ত প্ৰতিনিধিলৈ আহ্বান জনালোঁ।

**প্ৰবীণ কুমাৰ দাস**
আমগুৰি মহাবিদ্যালয়,
শিৱসাগৰ।

### অনুৰোধ

সম্পাদকীয় পৃষ্ঠাত প্ৰকাশৰ বাবে প্ৰেৰণ কৰা প্ৰবন্ধ ১০০০ শব্দৰ ভিতৰত হোৱা উচিত। আমাৰ সকলো লেখকে এই দিশৰ প্ৰতি মনোযোগ দি আমাক সহযোগিতা কৰিব বুলি আশা কৰিলোঁ।

**সম্পাদক**